# ভাৰতৰ সংবিধান

## প্ৰস্তাৱনা

**আমি ভাৰতৰ লোকসমূহে** ভাৰতক এখন [1]**[সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্য]** ৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে:

সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক **ন্যায়;**

চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ **স্বাধীনতা;**

প্ৰতিষ্ঠা আৰু সুযোগৰ **সমতা** লাভ কৰিবলৈ**;**

আৰু তেওঁলোকৰ সকলোৰে মাজত

ব্যক্তিৰ মৰ্য্যাদা [2][তথা জাতীয় ঐক্য আৰু সংহতি] সুনিশ্চিতকাৰী **ভাতৃভাৱ** বৃদ্ধি কৰিবলৈ

নিষ্ঠা সহকাৰে সংকল্প কৰি **আমাৰ এই সংবিধান সভাত** আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত **ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজতে অৰ্পণ কৰিছোঁ।**

---

[1] সংবিধান (৪২ সংখ্যক সংশোধনী) অধিনিয়ম, ১৯৭৬, ধাৰা ২-ৰ দ্বাৰা ‘‘সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য’’-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।

[2] উক্ত অধিনিয়মৰ ধাৰা ২-ৰ দ্বাৰা ‘‘জাতীয় ঐক্য’’-ৰ সলনি প্ৰতিস্থাপিত (৩-১-১৯৭৭-ৰ পৰা কাৰ্যকৰী হোৱাকৈ)।